

ASSAMESE
eklavya
মিগম
বহা
বহা
মিগম



# মিগম বহা
# বহা মিগম

ইন্দু এল হৰিকুমাৰ

eklavya

মিগমে ছবি আঁকি ভালপায়।
সি সকলোতে আঁকে।



মিগমৰ ছবি অঁকা ধৰনটো
কিবা এটা ভাল লগা আছিল।
সি নাচি নাচি ছবি আঁকে।






কেতিয়াবা সি তাৰ পেঞ্চিলডাল থৈ চাৰিওফালে দৌৰি ফুৰে, আকৌ উভতি আহি ছবি আঁকে। সি একে ঠাইতে বহি থাকিব নোৱাৰে।




সেইকাৰণে মাকে ভাবিলে – "মিগমে ছবি আঁকিবলৈ ভাল পাব পাৰে। শিক্ষকে ছাগে মিগমক অলপ সময় বহাই ৰাখিব পাৰিব। ছবি অঁকাটো ছাগে সি উপভোগ কৰিব আৰু একে ঠাইতে বহি থাকিব।" সেইকাৰণে মাকে তাক ছবি অঁকা শিকিবলৈ পঠাই দিলে।






ক্লাছৰুমত মিগমে আঁকিয়েই থাকে। তাৰপাচত সি নাচ আৰম্ভ কৰিলে। শিক্ষকে তাৰ নাচটো ভালপালে। তেওঁ ক’লে, “মিগম সচাঁকৈ তোমাৰ তালৰ লয়লাস বৰ ধুনিয়া।”

এদিনাখন শিক্ষকে লক্ষ্য কৰিলে যে মিগমে ক্লাছত দৌৰি ফুৰিছে। যেতিয়া তাৰ ভাগৰ লাগে তেতিয়াহে সি বহে আৰু ছবি আঁকে। পুনৰ সি দৌৰিব ধৰে। তেঁও ভাবিলে যে মিগমক দৌৰাটো বন্ধ কৰিব লাগিব,নহ'লে বাকী শিশুবোৰেও তাকেই কৰিব।





শিক্ষকে ক'লে, “মিগম তুমি বহা আৰু ছবি আঁকা।” মিগম অলপ সময়ৰ বাবে বহে কিন্তু আকৌ সি দৌৰি ফুৰে। তেতিয়া তেঁও চিঞৰি ক'লে – “বহা মিগম!” তেঁও তাৰ পিছে পিছে দৌৰিলে কিন্তু মিগম বহি থাকিব নোৱাৰে। উপায় নাপায় তেঁও তাক চেনিগুটি দিলে।



মিগমে চেনিগুটিবোৰ খাই দৌৰে,আকৌ বহে আৰু ছবি আঁকিবলৈ ধৰে। মাজে মাজে সি নাচেও।

ক্লাছৰ বাকী শিশুবোৰে কলে, ”শিক্ষক, অনুগ্ৰহ কৰি মিগমক বহিবলৈ কওকচোন।”

”মিগম বহা, বহা মিগম।”

শিক্ষকে ক'লে, ”মিগমক দৌৰিব আৰু নাচিব দিয়া। আমি আঁকি থাকিম। সি আমাক আমনি নকৰে।”



কিছুদিনৰ পাছত শিক্ষকে লক্ষ্য কৰিলে যে মিগমে এটা নতুন কাম শিকিছে। সি ছবি আঁকে, নাচে, দৌৰে আৰু তাৰপাচত কাগজৰ ৰকেট বনাই বেৰলৈ লক্ষ্য কৰি ৰকেটবোৰ দলিয়াই।




যেতিয়া ৰকেটবোৰ বেৰত খুন্দা খাই পৰি যায়, মিগমে সেইবোৰ বুটলি আকৌ বেৰলৈ লক্ষ্য কৰি দলিয়াই। যেতিয়া ৰকেটবোৰ ভাগি যায় সি সেইবোৰ বুটলি আনি ডাষ্টবিনত পেলাই দিয়ে।



শিক্ষকজনে জানিছিল যে তেঁও মিগমক ৰখাব নোৱাৰে। সেইকাৰণে তেঁও তাক সি বিচৰা মতে থাকিব দিলে। কিন্তু বাকী শিশুবোৰে ক'লে, “মিগমে আমাৰ দৰে বহি ছবি আঁকিব লাগে।” “মিগম বহা, বহা মিগম।”






সিঁহতে মিগমে বনোৱা ৰকেটবোৰ মজিয়াৰ পৰা বুটলি শিক্ষকজনক দিলে। তেতিয়া তেঁও ক'লে, "মিগমক দৌৰিবলৈ আৰু ৰকেট বনাই থাকিবলৈ দিয়া। আমি মিগমৰ ৰকেটবোৰৰ পৰা বেলেগ কিবা এটা নতুন বস্তু বনাওঁ আহা। আমি কৰিমনে?" সকলো মান্তি হ'ল।




যেতিয়া মিগমে ছবি অঁকা, নচা, দৌৰা আৰু ৰকেট বনোৱাত ব্যস্ত আছিল, তেতিয়া শিক্ষক আৰু বাকী শিশুবোৰে সি বনোৱা ৰকেটবোৰেৰে বৰদিনক আদৰাৰ প্ৰস্তুতি কৰিছিল।





বৰদিনৰ বন্ধৰ আগৰ এইটো শেষৰ ক্লাছ আছিল। সকলোবোৰ শিশুৱে নিজে বনোৱা বস্তুবোৰ লৈ আনন্দিত হল। শিক্ষকজনে হাতেৰে অঁকা একোটাকৈ লকেট সকলোকে উপহাৰ হিচাপে দিলে। যেতিয়া তেঁও মিগমক লকেটটো দিলে তেতিয়া সি ক'লে, – "এইটো আপোনাৰ বাবে শিক্ষক।"



মিগমে শিক্ষকজনক তাৰ ছবিৰ সংগ্ৰহ এটা দিলে। সি ক'লে, "আপুনি জানেনে মোৰ আপোনাক কিয় ভাল লাগে? সদায় মোক সকলোৱে কয়, কি কৰিব লাগে – এইটো নকৰিবা, সেইটো নকৰিবা। এটা জেগাত বহি থাকা। 'মিগম বহা, বহা মিগম......' আপুনি এনেকৈ কেতিয়াও কোৱা নাছিল।"

শিক্ষকজনে মিগমক সাৱটি ধৰিলে।






“মিগমৰ তেতিয়া সাত বছৰ আছিল, যেতিয়া মোক সি তাৰ ছবিৰ সংগ্ৰহবোৰ দিছিল। মই তাক কেতিয়াও ছবি অঁকা শিকোৱা নাছিলো, কিন্তু তাৰ ছবিবোৰ এতিয়াও মোৰ লগত আছে। মিগমৰ দৰে ময়ো সৰু থাকোতে একে ঠাইতে বহি থকা নাছিলো। মই দৌৰি ফুৰিছিলো। সেইবাবে মোৰ অভিভাৱকে মোক ছবিৰ ক্লাছলৈ পঠিয়াই দিছিল। তাত মই দৌৰি ফুৰা নাছিলো কিন্তু কথা কৈয়েই আছিলো আৰু মোৰ শিক্ষকে মোক মই বিচৰা দৰেই থাকিবলৈ দিছিল।”



Mattie, sit down! Sit down, Mattie!

Story & Illustrations: Indu L Harikumar
Design: Ishita Debnath Biswas
Assamese Translation: Kuldeep Das and Pranami Devi
Editing: Ayang Trust & The Hummingbird School family

Indu Harikumar & Eklavya, 2023

The story and illustrations in this book are licensed under the Creative Commons license Attribution-Non-Commercial-NoDerivatives 4.0 International (CC BY-NC-ND 4.0) as in https://creativecommons.org/licenses/by-nc-nd/4.0/

You are free to copy and distribute the story and the illustrations with no change for non-commercial purposes with attribution to the original author, illustrator and publisher. For any other kind of permissions, including remixing, transforming or building upon the story or the illustrations in this book, the author and illustrator must be contacted through the publisher.

Development of this book was supported by the H T Parekh Foundation.

First edition: March 2023 (1000 copies)

Reprint: September 2025 (1000 copies)

Paper: 100 gsm Maplitho and cover 250 gsm FB Board (Cover)


ISBN: 978-93-94552-52-4

Price: ₹ 130.00

Published by: Eklavya Foundation
Jamnalal Bajaj Parisar, Jatkhedi, Bhopal (MP) 462 026
Phone: +91 755 297 7770-71-72
Website: www.eklavya.in; Email: books@eklavya.in


Printed at: Adarsh Private Limited, Bhopal; Phone: +91 755 255 5442

ইন্দু. এল. হৰিকুমাৰ এগৰাকী শিল্পী আৰু লেখক।



তাই কিবা বস্তু বিচাৰি উলিয়াই তাৰ ওপৰত কাম কৰি ভাল পায়। শিশু সকলক শিল্পৰ জৰিয়তে শিকাইছে, আৰু কেইবাখনো শিশুৰ কিতাপ লিখিছে আৰু চিত্ৰও অংকন কৰিছে। ভাৰত আৰু বিদেশত তেওঁৰ কৰ্ম প্ৰৰ্দশিত হৈছে। লিংগ সংবেদনশীলতা ২০২১ৰ বাবে দ্য লাদলী মিডিয়া এণ্ড এডভাৰটাইজিং বঁটা লাভ কৰিছিল। ইন্দুৱে কাম কৰাৰ সময়ত বলিউডৰ গান গাই  ভাল পাইছিল।

মিগমে ছবি আঁকি ভাল পাইছিল। কিন্তু সি কেৱল বহি আঁকিব পৰা নাছিল। অলপ দৌৰিব, অলপ নাচিব, তাৰ পাছত অলপ আঁকিব। ক্লাছৰ আন লৰা-ছোৱালী বোৰেও সিঁহতৰ দৰে সিঁও বহি থকাটো বিচাৰিছিল। মিগমে কি কৰিলে যিয়ে তেওঁক আঁকিবলৈ সহায় কৰিলে?



eklavya

Price: ₹ 130.00

9 789394 552524